# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, কৰ্মযোগী অভিযানৰ জৰিয়তে দেশৰ উন্নয়নৰ বাবে চালিকাশক্তিস্বৰূপ মানৱ সম্পদ গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আলজেৰিয়া, ম'ৰিটেনিয়া আৰু মলাৱিৰ ত্ৰিদেশীয় ভ্ৰমণ সামৰি নতুন দিল্লীত উপস্থিত হৈছে।

৩। বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। ছাইবাৰ অপৰাধ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে অসমত এটা ৰাষ্ট্ৰীয় ছাইবাৰ ফৰেন্সিক পৰীক্ষাগাৰ স্থাপন কৰা হ'ব।

*আৰু*

৫। নিউজিলেণ্ড আজি মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীৰ ড০ আম্বেডকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত কৰ্মযোগী ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহ মুকলি কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কয় যে, কৰ্মযোগী অভিযানৰ জৰিয়তে দেশৰ উন্নয়নৰ বাবে চালিকাশক্তিস্বৰূপ মানৱ সম্পদ গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ কয় যে, ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহৰ সময়ত লাভ কৰা নতুন শিক্ষা আৰু অভিজ্ঞতাই কাৰ্যপ্ৰণালী উন্নত কৰাত সহায় কৰিব আৰু ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত গঢ়ি তোলাৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হ'ব। বিগত ১০ বছৰত চৰকাৰৰ মানসিকতা সলনি কৰাৰ বাবে লোৱা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, জনসাধাৰণে বৰ্তমান এনে পদক্ষেপসমূহৰ ফল অনুভৱ কৰিছে। তেওঁ কয় যে, চৰকাৰত কাম কৰা লোকসকলৰ প্ৰয়াস আৰু কৰ্মযোগী অভিযানৰ লেখীয়া পদক্ষেপৰ বাবে এয়া সম্ভৱ হৈ উঠিছে। তেওঁ কয় যে, বিশ্বই কৃত্ৰিম বুদ্ধিমত্তাক এটা সুযোগ বুলি গন্য কৰাৰ বিপৰীতে ভাৰতে ইয়াক প্ৰত্যাহ্বান আৰু সুযোগ বুলি গ্ৰহণ কৰিছে। কৃত্ৰিম বুদ্ধিমত্তা আৰু অভিলাসী ভাৰত অভিযানৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ইয়াৰ মাজত সমতা স্থাপনৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। শ্ৰী মোদীয়ে

অসামৰিক সেৱাৰ বিষয়াসকলক নতুন মানৰ সৈতে নিজকে খাপ খুৱাবৰ বাবে শেহতীয়া প্ৰযুক্তিক আকোৱালি লোৱাৰ পৰামৰ্শ আগবঢ়ায়। কৰ্মযোগী অভিযানে এইক্ষেত্ৰত সহায় কৰিব বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ উদ্ভাৱনী চিন্তা-চৰ্চা আৰু নাগৰিক কেন্দ্ৰীক দৃষ্টিভংগী অনুসৰণ কৰাৰ আৱশ্যকতাৰ বিষয়েও প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, নতুন অৱধাৰণাৰ বাবে ষ্টাৰ্টআপ প্ৰতিষ্ঠান, গৱেষণা সংস্থা আৰু যুৱ প্ৰজন্মৰ সহায় লোৱা উচিত। শ্ৰী মোদীয়ে iGot মঞ্চৰ ভূয়শী প্ৰশংসা কৰি কয় যে, ৪০ লাখৰো অধিক চৰকাৰী কৰ্মচাৰীয়ে এই মঞ্চত নাম পঞ্জীয়ন কৰিছে। এই মঞ্চত এহেজাৰ ৪০০ ৰো অধিক পাঠ্যক্ৰম উপলব্ধ আৰু বিষয়াসকলে বিভিন্ন পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ ডেৰ কোটিৰো অধিক প্ৰমাণপত্ৰ লাভ কৰিছে। বিশ্ব প্ৰেক্ষাপটত ভাৰতীয় প্ৰমূল্য সমৃদ্ধ ভৱিষ্যতৰ বাবে সাজু অসামৰিক সেৱাৰ পৰিকল্পনাৰে ২০২০ চনৰ ছেপ্তেম্বৰত কৰ্মযোগী অভিযান মুকলি কৰা হৈছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ সংসদীয় সমষ্টি বাৰানসীলৈ যাব। তাত তেওঁ প্ৰায় ছহেজাৰ ১০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ দিনৰ প্ৰায় দুই বজাত কাশীত উপস্থিত হ'ব আৰু আৰ জে শংকৰা চকু চিকিৎসালয় মুকলি কৰিব। ইয়াৰ পাছত বিয়লি প্ৰায় চাৰি বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰীয়ে বাৰানসীৰ ছিগৰা ষ্টেডিয়ামত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আলজেৰিয়া, ম'ৰিটেনিয়া আৰু মলাৱিৰ ত্ৰিদেশীয় ভ্ৰমণ সামৰি নতুন দিল্লীত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণে আলজেৰিয়া, ম'ৰিটেনিয়া আৰু মলাৱিৰ সৈতে ভাৰতৰ ঐতিহাসিক সম্পৰ্কত এটা নতুন অধ্যায়ৰ সূচনা কৰিলে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এই সপ্তাহজোৰা ভ্ৰমণকালত ৰাষ্ট্ৰ তিনিখনৰ নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হয় আৰু দেশকেইখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰে। ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণে আফ্ৰিকাৰ দেশসমূহৰ সৈতে থকা সোহাৰ্দ্যপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

ooooo

বিজেপিয়ে অসম, বিহাৰ, ছত্তিশগড়, কৰ্ণাটক, কেৰালা, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু পশ্চিমবংগৰ কেইখনমান বিধানসভা আসনৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। দলে কেৰালাৰ ৱায়নাড লোকসভা আসনৰ উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী প্ৰিয়ংকা গান্ধী ভাদ্ৰাৰ বিৰুদ্ধে নব্যা হৰিদাসক থিয় কৰাইছে। বিজেপিয়ে অসমৰ তিনিখন, বিহাৰ, কৰ্ণাটক, কেৰালা আৰু মধ্যপ্ৰদেশৰ দুখনকৈ আৰু ৰাজস্থান তথা পশ্চিমবংগৰ ৬ খনকৈ বিধানসভা আসনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিজেপিয়ে অসমৰ ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

ooooo

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আজি ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বিদেশ মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে কৈছে যে, দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ ক্ষেত্ৰত এই ভ্ৰমণত গুৰুত্ব আৰোপ কৰা হব। মন্ত্ৰালয়ে এই

শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে বুলি প্ৰকাশ কৰিছে। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ ভাৰতৰ এক্ট ইষ্টৰ নীতিৰ দশকপূৰ্তি উদ্‌যাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ।

০০০০০

ছাইবাৰ অপৰাধ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে অসমত এটা ৰাষ্ট্ৰীয় ছাইবাৰ ফৰেন্সিক পৰীক্ষাগাৰ স্থাপন কৰা হ'ব। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই কালি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই সন্দৰ্ভত ইতিমধ্যে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে আৰু গৃহ মন্ত্ৰালয়ে এই প্ৰতিষ্ঠানৰ বাবে প্ৰয়োজনীয় সহায় আগবঢ়াইছে। ছাইবাৰ অপৰাধৰ বিভিষীকা ৰোধ কৰাৰ বাবে অসম আৰক্ষীয়ে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে বুলি শ্ৰী গুপ্তাই প্ৰকাশ কৰে। তেওঁ কয় যে, এনে ব্যৱস্থাৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ আৰক্ষী থানাসমূহক ছাইবাৰ আহিলা প্ৰদান কৰা হৈছে আৰু আৰক্ষী কৰ্মীসকলক বিভিন্ন পৰ্যায়ৰ প্ৰশিক্ষণ দিয়া হৈছে। শ্ৰী গুপ্তাই কয় যে, আৰক্ষীয়ে বিভিন্ন পক্ষৰ সহযোগত প্ৰবঞ্চনাৰে সংঘটিত কৰা ছাইবাৰ অপৰাধৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে কাম কৰি আহিছে।

০০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি সাত দিনীয়া ছিংগাপুৰ আৰু অষ্ট্ৰেলিয়া ভ্ৰমণসূচীৰে স্বদেশৰ পৰা ৰাওনা হ'ব। এই ভ্ৰমণসূচীয়ে শিক্ষা খণ্ডৰ পাৰস্পৰিক স্বাৰ্থজৰিত গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত সহযোগিতা, অংশগ্ৰহণ আৰু সমন্বয় বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। দুদিনীয়া চিংগাপুৰ ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত শ্ৰী প্ৰধানে দেশখনৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং, উপ-প্ৰধানমন্ত্ৰী গান কিম য়ং আৰু অন্য জ্যেষ্ঠ নেতাসকলক সাক্ষাৎ কৰিব।

তিনি দিনীয়া অষ্ট্ৰেলিয়া ভ্ৰমণকালত শিক্ষামন্ত্ৰীগৰাকীয়ে ২৩ অক্টোবৰত মেলবৰ্ণত দেশখনৰ শিক্ষামন্ত্ৰী জেছন ক্লেয়াৰক সাক্ষাৎ কৰিব। তেওঁ লগতে অষ্ট্ৰেলিয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনৰ পূৰ্ণাংগ বৈঠকত ভাষণ দিব। ২৪ অক্টোবৰত কেন্দ্ৰীয় মন্ত্ৰী প্ৰধানে শৈশৱকালৰ শিক্ষা কৰ্মবাহিনীৰ প্ৰশিক্ষণ সম্পৰ্কীয় সহযোগিতাৰ সুযোগ অন্বেষণৰ উদ্দেশ্যে ছিডনীৰ অবাৰ্ন লং ডে শিশু পৰিচৰ্যা কেন্দ্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে উদ্ভাৱন গৱেষণা বিশ্ববিদ্যালয়সমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতে মত বিনিময় কৰিব আৰু অষ্ট্ৰেলিয়া-ভাৰত শিক্ষা তথা দক্ষতা পৰিষদৰ দ্বিতীয়লানি বৈঠকত অংশ ল'ব। ২৫ অক্টোবৰত শিক্ষামন্ত্ৰীগৰাকীয়ে গ্ৰেনভিলে ছাউথ ক্ৰিয়েটিভ আৰু পৰিৱেশ্য কলা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰিব।

০০০০০

নিউজিলেণ্ড আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড ফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত প্ৰতিযোগতাৰ ইতিহাসত ২০১৬ চনৰে পৰা প্ৰথমবাৰৰ বাবে নতুন দল চেম্পিয়ন হোৱাটো নিশ্চিত হৈ পৰিছে।

দক্ষিণ আফ্ৰিকাই ছেমিফাইনেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি একেৰাহে দ্বিতীয়বাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে নিউজিলেণ্ডে ৱেষ্ট ইণ্ডিজক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে বেংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি ˉপঞ্চম দিনা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। নিউজিলেণ্ডক জয়ৰ বাবে ১০৭ ৰানৰ প্ৰয়োজন। ইয়াৰ পূৰ্বে ভাৰতে কালি ৪৬২ ৰানত দ্বিতীয় ইনিংছ সামৰে। ভাৰতৰ হৈ ছৰফৰাজ খানে ১৫০ ৰান কৰাৰ বিপৰীতে ঋষভ পণ্টে ৯৯ ৰানৰ বৰঙণি আগবঢ়ায়।

ভাৰতে বৰ্ষাবিঘ্নিত খেলখনৰ দ্বিতীয় দিনা প্ৰথমে বেট ধৰি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৬ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। নিউজিলেণ্ডে প্ৰথম ইংনিছত ৪০২ ৰান সংগ্ৰহ কৰিছিল।

০০০০০

০০০০০

**সমাপ্ত**